অসম চৰকাৰ
উচ্চশিক্ষা সঞ্চালকালয়
কাহিলীপাৰা ঃঃঃ গুৱাহাটী - ১৯

# বিজ্ঞপ্তি

ই.চি.এফ নম্বৰঃ৬৩৯১৩৮/৩ তাৰিখঃ কাহিলীপাৰা, ২৪/০৪/২০২৫

অসম চৰকাৰৰ উচ্চশিক্ষা বিভাগৰ অনুমোদন মৰ্মে গুৱাহাটী বিশ্ববিদ্যালত সমৰ্থ পৰ্টেলৰ জড়িয়তে হ'বলগীয়া চলিত বৰ্ষৰ নামভৰ্তি প্ৰক্ৰিয়া তদাৰক কৰিবৰ বাবে আঞ্চলিক সমৰ্থ সহায়ক আৰু সমন্বয়ক কেন্দ্ৰ (Regional SAMARTH Support and Co-ordination Center, Assam) গঠন কৰা হৈছে। এই কেন্দ্ৰ অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগৰ প্ৰতক্ষ্য নিয়ন্ত্ৰণ আৰু পৰ্যবেক্ষণত কাৰ্য ৰূপায়ন কৰিব। আগন্তুক বৰ্ষৰ স্নাতক পৰ্য্যায়ৰ নামভৰ্তি প্ৰক্ৰিয়া স্বচ্ছ আৰু নিয়াৰিকৈ সম্পাদন কৰাৰ উদ্দেশ্যেই অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগে গুৱাহাটী বিশ্ববিদ্যালত এই কেন্দ্ৰ স্থাপন কৰাৰ লগতে কেন্দ্ৰটো সুচাৰুৰূপে পৰিচালিত কৰিবলৈ তলত উল্লেখিত ব্যক্তি সকলক লৈ এখন কমিটি গঠন কৰি দিছে –

| ক্ৰমিক নং | নাম | পদবী | কমিটিৰ দয়িত্ব |
|---|---|---|---|
| ১ | শ্ৰীমতী পমি বৰুৱা, অ. অ. সেৱা | সঞ্চালক উচ্চশিক্ষা বিভাগ | অধ্যক্ষ |
| ২ | শ্ৰী পৰাগ ফুকন | অধ্যাপক,ভূতত্ত্ব বিভাগ, গু. বি. | উপদেষ্টা |
| ৩ | শ্ৰীমতী নন্দিতা বৰুৱা, অ. অ. সেৱা | যুটীয়া সচিব, উচ্চশিক্ষা বিভাগ | সদস্য |
| ৪ | শ্ৰী প্ৰসন্ন বৰা, অ.শি.সেৱা | যুটীয়া সঞ্চালক, উচ্চশিক্ষা বিভাগ | সদস্য |
| ৫ | ড° সঞ্জয় দত্ত | উপাচাৰ্যৰ বিশেষ কৰ্তব্যৰত বিষয়া | সদস্য |
| ৬ | শ্ৰীমতী সুমিত্ৰা দেৱ, অ.শি.সেৱা | উপ সঞ্চালক, উচ্চশিক্ষা বিভাগ | সদস্য |
| ৭ | ড° প্ৰাঞ্জল প্ৰতিম বৰুৱা | সহকাৰী অধ্যাপক,ইংৰাজী বিভাগ, গু. বি. | সদস্য |
| ৮ | শ্ৰীমতী প্ৰগতি দত্ত | বিশেষ কৰ্তব্যৰত বিষয়া, উচ্চশিক্ষা বিভাগ | সদস্য |

**কমিটীৰ দায়িত্ব আৰু কৰ্তব্য ঃ**

১। কমিটীয়ে স্নাতক প্ৰথম বৰ্ষৰ নামভৰ্তিৰ প্ৰক্ৰিয়া স্বচ্ছ আৰু নিকাভাবে ৰূপয়ন কৰিবলৈ সকলো কাৰ্য ব্যৱস্থা গ্ৰহণ কৰিব। তদুপৰি নামভৰ্তিৰ প্ৰক্ৰিয়াত উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহ আৰু সমৰ্থৰ কাৰ্যবাহীৰ মাজত সমন্বয়কৰ ভূমিকা পালন কৰিব।

২। নামভৰ্তিৰ সন্দৰ্ভত সময়ে সময়ে আলোচনা কৰি উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহ তথা ছাত্ৰ-ছাত্ৰীৰজ্ঞাতাৰ্থে বিজ্ঞপ্তি প্ৰকাশ কৰা।

৩। প্ৰয়োজন সাপেক্ষে উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহৰ লগত বৈঠক অনুষ্ঠিত কৰি নামভৰ্তিৰ ক্ষেত্ৰত সম্মুখীন হোৱা অসুবিধা দূৰ কৰিব লাগিব।

৪। আঞ্চলিকভিত্তিত সমন্বয়কাৰী নিয়োগ কৰা তথা জিলাভিত্তিক / মহাবিদ্যালয় ভিত্তিক প্ৰশিক্ষক নিযুক্তি কৰি প্ৰশিক্ষণ প্ৰদান কৰা। তাৰোপৰি নামভৰ্তিৰ সন্দৰ্ভত প্ৰকাশ কৰা নিৰ্দেশনা সমূহৰ বহুল প্ৰচাৰৰ ব্যৱস্থা কৰাৰ লগতে ৰূপায়নৰ ওপৰত দৃষ্টি ৰাখিব লাগিব।

৫। উচ্চ শিক্ষা প্ৰতিষ্ঠান আৰু আবেদনকাৰীৰ অভিযোগসমূহৰ ক্ষীপ্ৰ সমাধানৰ ব্যৱস্থা কৰাৰ লগতে সকলো অভিযোগ গ্ৰহণ কৰা।

এই বিজ্ঞপ্তি কতৃত্বশীল কৰ্তৃপক্ষৰ অনুমোদনৰ ভিত্তিত প্ৰকাশ কৰা হৈছে।

সঞ্চালক ,উচ্চশিক্ষা,
কাহিলীপাৰা ,গুৱাহাটী ,অসম

স্মাৰকঃ ই.চি.এফ নম্বৰঃ৬৩৯১৩৮/৩- ক তাৰিখঃকাহিলীপাৰা, ২৪/০৪/২০২৫

প্ৰতিলিপিঃ

১ .সচিব ,উচ্চশিক্ষাবিভাগ ,গুৱাহাটী।
২ .অসম বিশ্ববিদ্যালয় ,সকলো ৰাজ্যিক বিশ্ববিদ্যালয় আৰু বেচৰকাৰী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক।
৩ .অধ্যাপক সঞ্জীৱ সিং ,Principal Investigator ,সমৰ্থe -Gov, নতুন দিল্লী।
৪ .সকলো স্বায়ত্বশাসিত/চৰকাৰী / প্ৰাদেশীকৃত / PDUAM /বেচৰকাৰী / চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ।
৫ .আঞ্চলিক সমৰ্থ সহায়ক আৰু সমন্বয় কেন্দ্ৰ, অসম।
৬. ব্যক্তিগত সহায়ক, মাননীয় শিক্ষামন্ত্ৰীৰ ,অসম।

সঞ্চালক ,উচ্চশিক্ষা,
কাহিলীপাৰা ,গুৱাহাটী ,অসম।